এজাহাৰ পঞ্জীয়ণ নকৰা, আদি আৰক্ষীৰ অসদাচৰণৰ অন্তৰ্ভুক্ত ।

আয়োগে এনেধৰণৰ অসদাচৰণৰ অভিযোগ পালে তদন্তক্ৰমে বিচাৰ কৰি অভিযুক্ত আৰক্ষীৰ সম্পৰ্কত ৰায়দান কৰে । অসম আৰক্ষী আইনৰ বিধি ব্যৱস্থা অনুযায়ী আৰক্ষীয়ে সমাজৰ বিঘিনি নোহোৱাকৈ যাতে আচৰণ কৰে তাৰ প্ৰতি দৃষ্টি ৰখাটো আয়োগৰ মূল উদ্দেশ্য ।

বক্তব্য আৰু প্ৰশ্নোত্তৰ শিতানত আমন্ত্ৰিত সংস্থা সমুহৰ বিষয়ববীয়া আৰু আৰক্ষী বিভাগৰ বহু লোকে সক্ৰিয় অংশ গ্ৰহণ কৰে, এইক্ষেত্ৰত আৰক্ষীয়ে এজাহাৰ পঞ্জীয়ণ নকৰা, মহিলাৰ প্ৰতি থাকিবলগীয়া যথোচিত সন্মান, আৰক্ষীয়ে মহিলাকোষৰ আদিৰ লগত সহযোগিতাৰে কাম কৰা, জিলা প্ৰশাসনৰ লগত পাৰস্পৰিক সহযোগিতা আদি বিষয়বোৰত গুৰুত্ব দিয়া দেখা যায় ।

আয়োগে জনায় যে ২০০৮ বৰ্ষৰ পৰা অদ্যপৰিমিত জনসাধাৰণ আৰু আৰক্ষীয়ে ৰজু কৰা গোচৰৰ নিস্পত্তিৰ খতিয়ান এনে ধৰণৰ -

মুঠ গোচৰ ৰজু — ৪৭৬

নিষ্পত্তি — ৪২৩

তাৰে ভিতৰত — ১/ ২০০৮ চনৰ পৰা ২০১৪ ৰ মে’ লৈ — ২৭১

২/ বৰ্ত্তমানৰ আয়োগৰ দিনত ২০১৪ চনৰ জুন মাহৰ পৰা ২০১৫ ৰ ফেব্ৰুৱাৰী লৈ — ১৫২

মুঠ — ৪২৩

মৰিগাওঁ জিলা আৰক্ষী প্ৰশাসনে সুকলমে সভাখন আয়োজন কৰে ।

আয়োগে পৰৱৰ্তী সময়ত ৰাজ্যৰ প্ৰতিখন জিলাতে সজাগতা সভা পাতিবৰ বাবে আঁচনি লৈছে ।

হৰেশ চন্দ্ৰ দত্ত, এ.চি.এছ (অৱসৰপ্ৰাপ্ত)

সচিব

ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগ, অসম,

উলুবাৰী, গুৱাহাটী-০৭